আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক




www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 10, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭২ Guwahati, Assam ।। মূল্যঃ এটকা

**এক, দুই, তিনি, চাৰি, পাঁচ... দুদিনীয়া উত্তৰ-পূব ভ্ৰমণত ভীষণ ব্যস্ততাৰ মাজতে ভিন্ন সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভিন্ন সাজ**



## ৩০ ঘণ্টাতে ৫ বাৰ সলালে পোছাক!


**ই-সংবাদ, ৯ মাৰ্চঃ** চৌখিন নেতাৰূপে বিশ্ববিখ্যাত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। পৰিস্কাৰ, পৰিচ্ছন্নতা ভাল পোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পোছাকক লৈ খুব সজাগ। দেশৰ মুৰব্বীগৰাকীয়ে কোন অনুষ্ঠানত কি পোছাক পিন্ধিলে শেষাংশ ২ পৃষ্ঠাত

## প্ৰদ্যুম্নৰ পিঠিত মোদীক ঘূৰালে সৌভাগ্যৱান ৰাজু গোৱালাই

**ই-সংবাদ, ৯ মাৰ্চঃ** শনিবাৰে পুৱাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত হাতী ছাফাৰী কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা ৰেঞ্জৰ মিহিমুখ অঞ্চলত বন বিভাগৰ প্ৰদ্যুম্ন নামৰ হাতীটোৰ পিঠিত শেষাংশ ৪ পৃষ্ঠাত

### সৰগৰে ৰিজালে কাজিৰঙাক, লাচিতৰ প্ৰতিমূৰ্তি উন্মোচন

# মণিপুৰৰ বাদে বহু কথা কৈ গ'লগৈ প্ৰধানমন্ত্ৰী

ই-সংবাদ, কাজিৰঙাঃ **লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে পুৱতি নিশা হাতত কেমেৰা লৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা ৰেঞ্জৰ মিহিমুখ অঞ্চল পৰিদৰ্শন কৰে। অসমৰ কাজিৰঙা** শেষাংশ ২ পৃষ্ঠাত

## অৰুণাচলত ৯৪৫ ফুট ওখ নদীবান্ধ নিৰ্মাণৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, ৯ মাৰ্চঃ** আজি উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণৰ সময়তে নৰেন্দ্ৰ মোদীয়ে দুটাকৈ সুউচ্চ উপহাৰ দি থৈ যায় জনগণক। প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ হোলোঙ্গাপাৰত লাচিত বৰফুকনৰ আৱক্ষ মূৰ্তি উন্মোচন কৰে। আহোম সম্প্ৰদায়ৰ ৰীতি-নীতি মতে, পূজা কৰি আহোম সেনাপতি লাচিত বৰফুকনৰ ১২৫ ফুট ওখ মূৰ্তি উন্মোচন কৰে। ৰাম ভাঞ্জি সুতাৰৰ দ্বাৰা নিৰ্মিত মূৰ্তিটো ৮৪ ফুট ওখ শেষাংশ ৩ পৃষ্ঠাত

## নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেলৰ হঠাৎ পদত্যাগ

**নতুন দিল্লী, ৯ মাৰ্চঃ** লোকসভা নিৰ্বাচনলৈ মাজত আৰু কেইটামান দিন বাকী। অহা সপ্তাহত ঘোষণা হোৱাৰ সম্ভাৱনা নিৰ্বাচনৰ তাৰিখ। কিন্তু ঠিক ইয়াৰ পূৰ্বেই নিৰ্বাচন আয়োগত উঠিল পদত্যাগৰ জোৱাৰ। লোকসভা নিৰ্বাচনৰ শেষাংশ ৫ পৃষ্ঠাত

## আমবাৰীত চকুলো টুকিলে ফণীভূষণে

**ই-সংবাদ, ৯ মাৰ্চঃ** আজি হঠাতে অসমৰ অন্যতম আঞ্চলিক দল অসম গণ পৰিষদৰ আমবাৰীস্থিত কাৰ্যালয়ত ব্যাপক সক্ৰিয়তা দেখা যায়। কেইবাখনো জিলাৰ নেতৃত্ব দলে-বলে আমবাৰীৰ কাৰ্যালয়ত উপস্থিত হয়। সেই সময়ত কাৰ্যালয়ত উপস্থিত আছিল কেইবাগৰাকী কেন্দ্ৰীয় নেতা। কেন্দ্ৰীয়-জিলা নেতৃত্ব উপস্থিত হোৱাৰ পাছতে কাৰ্যালয়ত উপস্থিত হয় শেষাংশ ৪ পৃষ্ঠাত

## দুলুক লাগে বৰপেটা সমষ্টি

**ই-সংবাদ, ৯ মাৰ্চঃ** অসমত বিৰোধীৰ মিত্ৰতাকলৈ ছানি ধৰিছে কলীয়া ডাৱৰ। আটাইকেইটা দলে কম্প্ৰমাইজ কৰিব নোখোজাৰ ফলতে শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰৰ বাদে বহু কথা কৈ

ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত হাতী আৰু জীপত উঠি জংঘল চাফাৰী কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। এই সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীক মূৰত টুপী, চকুত ক'লা চশমা আৰু হাতত কেমেৰা লৈ জীপ আৰু হাতীৰ পিঠিৰ পৰা ফটো শ্বুট কৰা দেখা যায়। নৰেন্দ্ৰ মোদীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিভিন্ন ফটো সামাজিক মাধ্যম যোগে শ্বেয়াৰ কৰিছে। ইউনেস্কোৰ দ্বাৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ ঘোষিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান প্ৰথমবাৰ ভ্ৰমণ কৰে নৰেন্দ্ৰ মোদীয়ে। উদ্যানখনৰ কেন্দ্ৰীয় কঁহৰা ৰেঞ্জৰ মিহিমুখ অঞ্চলত হাতী ছাফাৰী আৰু জীপ ছাফাৰী কৰে। নৰেন্দ্ৰ মোদীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ বিভিন্ন বিষয়া আৰু বন কৰ্মীক সাক্ষাৎ কৰে। এক্সত এটা পোষ্ট দি মোদীয়ে কয় "আমাৰ বনাঞ্চল আৰু বন্যপ্ৰাণীক সাহসেৰে সুৰক্ষা প্ৰদান কৰি থকা সংৰক্ষণৰ প্ৰচেষ্টাত আগৰণুৱা মহিলা বনৰক্ষীৰ দল 'বন দুৰ্গা'ৰ সৈতে মত বিনিময় কৰো। আমাৰ প্ৰাকৃতিক ঐতিহ্যৰ সুৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ নিষ্ঠা আৰু সাহস সঁচাকৈয়ে প্ৰেৰণাদায়ক।" চাফাৰীৰ সময়ত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষ আৰু অন্যান্য জ্যেষ্ঠ বন বিষয়াসকল উপস্থিত আছিল। প্ৰধানমন্ত্ৰী মোদীয়ে বিষয়াৰ সৈতে বাৰ্তালাপ কৰি ৰাষ্ট্ৰীয় উদ্যানৰ তথ্য সংগ্ৰহ কৰিছিল। উদ্যান পৰিভ্ৰমণৰ সময়ত বন বিভাগৰ লক্ষীমাই, প্ৰদ্যুম্ন আৰু ফুলমাই নামৰ হাতী তিনিটাক কুঁহিয়াৰ খুৱাই আদৰ কৰা দেখা যায়। কাজিৰঙাক স্বৰ্গৰ সৈতে তুলনা কৰি মোদীয়ে এক্সত পোষ্ট দি কয় "আজি পুৱা মই অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আছিলো। প্ৰচুৰ সেউজীয়াৰে পৰিবেষ্টিত এই ইউনেস্কো বিশ্ব ঐতিহ্য ক্ষেত্ৰখন বিশ্বপ্ৰসিদ্ধ এশিঙীয়া গঁড়কে ধৰি বৈচিত্ৰময় উদ্ভিদ আৰু প্ৰাণীজগতেৰে ধন্য। আপোনালোক সকলোকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি ভূ-প্ৰকৃতিৰ অতুলনীয় সৌন্দৰ্য আৰু অসমবাসীৰ আদৰ অনুভৱ কৰিবলৈ আহ্বান জনালো। য'ত প্ৰতিটো ভ্ৰমণে আত্মাক সমৃদ্ধ কৰে আৰু অসমৰ হৃদয়ৰ সৈতে গভীৰভাৱে সংযোগ স্থাপন কৰে।" অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বিখ্যাত হৈছে এশিঙীয়া গঁড়ৰ বাবে। পৃথিৱী বিখ্যাত এশিঙীয়া গঁড়, হাতীৰ জাক, হৰিণা, বিভিন্ন পৰিভ্ৰমী চৰাই আদি প্ৰত্যক্ষ কৰি আপ্লুত হয় নৰেন্দ্ৰ মোদী। নৰেন্দ্ৰ মোদীয়ে কাজিৰঙা ভ্ৰমণ সামৰি যোৰহাটত উপস্থিত হয়। যোৰহাটৰ মেলেং মেটেলি পথাৰৰ পৰাই অসমক বাবে ১৭,৫০০ কোটি টকাৰ প্ৰকল্প উৎসৰ্গিত কৰে। প্ৰধানমন্ত্ৰীয়ে হোলোঙ্গাপাৰত লাচিত বৰফুকনৰ আৰক্ষ মূৰ্তি উন্মোচন কৰে। আহোম সম্প্ৰদায়ৰ ৰীতি-নীতি মতে, পূজা কৰি আহোম সেনাপতি লাচিত বৰফুকনৰ ১২৫ ফুট ওখ মূৰ্তি উন্মোচন কৰে। ৰাম ভাঞ্জি সুতাৰৰ দ্বাৰা নিৰ্মিত মূৰ্তিটো ৮৪ ফুট ওখ আৰু ৪১ ফুট ওখ ঠাইত স্থাপন কৰা হৈছে। গাঁথনি ১২৫ ফুট ওখ। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে ২০২২ চনৰ ফেব্ৰুৱাৰীত মূৰ্তি স্থাপনস্থলীৰ আধাৰশিলা স্থাপন কৰিছিল। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। নৰেন্দ্ৰ মোদীয়ে আঁচনিসমূহ উদ্বোধন কৰি দিয়া ভাষণত কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰে। কংগ্ৰেছে কেইবা দশক ধৰি উত্তৰ-পূবক অৱহেলা কৰাৰ অভিযোগ উত্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে উন্নত ভাৰতৰ উদ্দেশ্য পূৰণৰ বাবে উন্নয়ন গুৰুত্বপূৰ্ণ। ঐতিহ্য আৰু উন্নয়ন হৈছে দ্বৈত ইঞ্জিন চৰকাৰৰ মন্ত্ৰ। কংগ্ৰেছ চৰকাৰৰ অসংবেদনশীল আৰু অপৰিকল্পিত সংৰক্ষণ ৰণনীতিৰ বাবে ইউনেস্কো বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰ সংঘটিত হৈছিল। ২০১৩ চনত প্ৰায় ২৭টা গঁড় হত্যা কৰা হৈছিল। কিন্তু এনডিএ চৰকাৰৰ নীতিৰ বাবে ২০২২ চনত চোৰাং চিকাৰৰ এনে ঘটনাৰ সংখ্যা শূন্যলৈ হ্ৰাস পাইছে বুলিও কয় প্ৰধানমন্ত্ৰীগৰাকীয়ে। প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ পৰাই একেলগে ৫ লাখ ৫৫ হাজাৰ ৫৫৫টা চৰকাৰী প্ৰধানমন্ত্ৰীৰ আৱাস গৃহ উদ্বোধন কৰে। নৰেন্দ্ৰ মোদীয়ে তিনিচুকীয়া মেডিকেল কলেজ মুকলি কৰাৰ লগতে শিৱসাগৰ চিকিৎসা মহাবিদ্যালয়ৰ আধাৰ শিলা স্থাপন কৰে। ডিগবৈ, গুৱাহাটী তেল শোধনাগাৰৰ প্ৰকল্প মুকলি কৰাৰ লগতে বাৰাউনী-গুৱাহাটী গেছ পৰিবাহী পাইপ মুকলি কৰে। ধূপধৰা-ছয়গাঁও ৰে'লপথ দ্বৈত কৰাৰ কাম শুভাৰম্ভ, নিউ বঙাইগাঁও-সৰভোগৰ ৰে'ল পথ মুকলি কৰে প্ৰধানমন্ত্ৰীয়ে। ১০ হাজাৰ লাখপতি বাইদেউৰ বাবে বুকলেট মুকলি কৰে মোদীয়ে। দুদিনীয়া এই অসম ভ্ৰমণত মোদীয়ে নিজৰ ভাষণত দিনে-নিশাই দেশক সেৱা কৰি অহাৰ কথা ক'লে যদিও এবাৰলৈয়ো কেইকিলোমিটাৰমান নিলগত থকা হিংসাজৰ্জৰ মণিপুৰৰ কথা এবাৰো উচ্চাৰণ কৰা শুনা নগ'ল। উল্লেখ্য যে, শুকুৰবাৰে সন্ধিয়া দুদিনীয়া ভ্ৰমণসূচীলৈ অসমত উপস্থিত হৈছিল মোদী। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি মন্ত্ৰী অতুল বৰাৰ উপস্থিতিত কাজিৰঙাৰ পাণবাৰীত উপস্থিত হৈ কঁহৰাত আৰক্ষীৰ অতিথিশালাত শুকুৰবাৰে নৈশ যাপন কৰাৰ অন্তত আজি বিয়লিভাগত দিল্লীলৈ উৰা মাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩০ ঘণ্টাতে ৫ বাৰ

শুৱাব সেই কথা ভালকৈয়ে অনুধাৱন কৰিব পাৰে। পৰিবেশৰ সৈতে জিন যাব পৰাকৈ পোছাক নিৰ্বাচনত মোদী খুব পাৰ্গত বুলিয়েই বুলি ক'ব পাৰি। সময় সময়ে বিভিন্ন অনুষ্ঠানত বিভিন্ন জাতি-জনগোষ্ঠীৰ পোছাক পৰিধান কৰি সম্প্ৰীতিৰ বাৰ্তা দি আহিছে। এইবাৰো পোছাকৰ ক্ষেত্ৰত ব্যতিক্ৰম ৰূপত দেখা গ'ল মোদীক। ৩০ ঘণ্টাৰ ভিতৰত ৫ যোৰ পোছাকত দেখা গ'ল নৰেন্দ্ৰ মোদীক। ৮ মাৰ্চৰ সন্ধিয়া তেজপুৰত উপস্থিত হোৱাৰ সময়ত বগা কুৰ্ত্তা আৰু হাফ জেকেট পিন্ধি উপস্থিত হয়। আজি পুৱা কাজিৰঙা উদ্যান পৰিদৰ্শনৰ সময়ত সেনাৰ পোছাক আৰু ক'লা হাফ জেকেট পিন্ধা দেখা যায়। যোৰহাটৰ কাৰ্যসূচীত আহোমসকলৰ পৰম্পৰাগত পোছাকত দেখা যায় নৰেন্দ্ৰ মোদীক। অৰুণাচলত স্থানীয় জনজাতীয় পৰম্পৰাগত পোছাকত দেখা গ'ল মোদীক। তাৰ পাছতে অৰুণাচলৰ পৰা উভতি যোৱাৰ সময়ত খাকীৰ কুৰ্ত্তা আৰু ক'লা হাফ জেকেট পিন্ধা দেখা গ'ল মোদীক। ৩০ ঘণ্টাৰ ভিতৰত উত্তৰ-পূৰৰ কাৰ্যসূচীত আউট-ফিট সলনি কৰিলে নৰেন্দ্ৰ মোদীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলত ৯৪৫ ফুট ওখ

ওখ আৰু ৪১ ফুট ওখ ঠাইত স্থাপন কৰা হৈছে। গাঁথনি ১২৫ ফুট ওখ। আনহাতে অৰুণাচলত ৯৪৫ ফুট ওখ নদীবান্ধ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে মোদীয়ে। দেশৰ ভিতৰতে অৰুণাচল প্ৰদেশত বৃহৎ আৰু সুউচ্চ আৰু বহুমুখী জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অৰুণাচলৰ নামনি দিবাং উপত্যকা জিলাৰ দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্প ৩১,৮৭৫ কোটি টকাতকৈও অধিক ব্যয়েৰে নিৰ্মাণ কৰা হ'ব আৰু ৫,৩৪৯ হেক্টৰ স্থানত নিৰ্মাণ কৰা হ'ব। ৩.৮৫ বিলিয়ন কিউবিক মিটাৰ মুঠ সঞ্চয় ক্ষমতাৰ সৈতে ৪৩ কিলোমিটাৰ দীঘল জলাশয় সৃষ্টি কৰা হ'ব। বান্ধটোৰ লক্ষ্য হৈছে শক্তি উৎপাদন কৰি উত্তৰ-পূৱৰ আৰ্থসামাজিক বিকাশ কৰা। এনএইচপিচি লিমিটেডে ২,৮৮০ মেগাৱাট বিদ্যুৎ উৎপন্ন কৰিবলৈ দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছে। এই প্ৰকল্পৰ ভয়াবহতা থকা বুলিও আশংকা কৰা হৈছে। পূৰ্বৰ চৰকাৰক নিৰ্মাণৰ বাবে গ্ৰীণ ট্ৰিবিউনেলে অনুমতি প্ৰদান কৰা নাছিল। ভূমিকম্প প্ৰৱণ তথা পাহাৰ স্খলনৰ ফলত ভয়াবহ বিপদত পৰিব পাৰে বুলিও আশংকা কৰা হৈছে। শনিবাৰে অৰুণাচলৰ ভূমিৰ পৰা কংগ্ৰেছৰ বিৰুদ্ধে পুনৰ সৰৱ হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। যি উন্নয়নমূলক কাম কৰিবলৈ কংগ্ৰেছ চৰকাৰক ২০ বছৰ সময় লাগিলেহেঁতেন, সেই কাম ৫ বছৰত সম্পূৰ্ণ কৰি দেখুৱাইছে বিজেপি চৰকাৰে। মোদীয়ে উত্তৰ-পূৱৰ ৰাজ্যখনত ৫৫,৬০০ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্পৰ উন্মোচন কৰি ইটানগৰত এখন ৰাজহুৱা সভা সম্বোধন কৰে। এই জনসভাত সীমান্ত সুৰক্ষাক লৈ কংগ্ৰেছে আপোচ কৰি অহাৰ অভিযোগ তুলি প্ৰধানমন্ত্ৰীয়ে কয় যে মাত্ৰ দুখন লোকসভাৰ আসন থকা ৰাজ্যত কংগ্ৰেছে বিনিয়োগ কৰিব নিবিচৰাৰ বাবেই ৬০ বছৰৰো অধিক সময় ধৰি অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী গাঁওসমূহ উপেক্ষিত হৈ আছিল। মোদীয়ে কয়, 'চেলা সুৰংগ বহু আগতেই নিৰ্মাণ কৰিব পৰা গ'লহেঁতেন। কিন্তু কংগ্ৰেছে সীমান্তৱৰ্তী গাঁওসমূহক উপেক্ষা কৰি নিজৰ ভাগ্যৰ ওপৰত এৰি দিলে। কিন্তু মোৰ বাবে সেইবোৰ গাঁও দেশৰ প্ৰথম গাঁও। এই গাঁওসমূহৰ বাবেই আমি ভাইব্ৰেণ্ট ভিলেজ প্ৰগ্ৰেম আৰম্ভ কৰিছো। এতিয়া সেই গাঁওবোৰতো পথ নিৰ্মাণৰ প্ৰকল্প হাতত লোৱা হৈছে।' প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে যেতিয়া কংগ্ৰেছে সীমান্ত অঞ্চলত আন্তঃগাঁথনি নিৰ্মাণ কৰিব বুলি আশা কৰা হৈছিল, তেতিয়া কংগ্ৰেছে দুৰ্নীতিত নিমজ্জিত হৈ আছিল আৰু ইয়াৰ ফলত দেশৰ নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। বিজেপি চৰকাৰৰ ঢাক-ঢোল বজাই মোদীয়ে কয়, 'মোদী চৰকাৰে তেনে নকৰে। এইখন চৰকাৰে প্ৰয়োজনীয়তাক মনত ৰাখে। উত্তৰ-পূৰ্বাঞ্চল দক্ষিণ এছিয়া আৰু পূব এছিয়াৰ সৈতে ভাৰতৰ বাণিজ্য, পৰ্যটন আৰু অন্যান্য সম্পৰ্কত এক শক্তিশালী যোগসূত্ৰ হিচাপে পৰিগণিত হ'বলৈ গৈ আছে।' তেওঁ লগতে কয় যে উত্তৰ-পূবত আমি যোৱা পাঁচ বছৰত যি কাম কৰিছো সেয়া কৰিবলৈ কংগ্ৰেছে ২০ বছৰ সময় লাগিলহেঁতেন। প্ৰধানমন্ত্ৰীয়ে কয় যে অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰিলে "মোডীৰ গেৰেণ্টী" কি সেয়া স্পষ্টকৈ দেখা যায়। মোদীৰ গেৰেণ্টীয়ে কেনেদৰে কাম কৰি আছে সেয়া সমগ্ৰ উত্তৰ-পূবে চাই আছে।' উল্লেখ্য যে, প্ৰজেক্ট ভাৰ্টকৰ অধীনত ১৩ হাজাৰ ফুট উচ্চতাত নিৰ্মাণ কৰা চেলা সুৰংগ হৈছে বিশ্বৰ ভিতৰতে দীঘলীয়া দুইলেনযুক্ত সুৰংগ। ইয়াৰ জৰিয়তে ভাৰত-চীন সীমান্তৱৰ্তী চহৰ টাৱাঙৰ সৈতে সৰ্ববতৰৰ সংযোগ সুনিশ্চিত হ'ব।

## মণিপুৰ মোদীৰ পৰিয়ালৰ হয় নে নহয়?

### প্ৰধানমন্ত্ৰীৰ প্ৰতি ভূপেন বৰাৰ প্ৰশ্ন

**ই-সংবাদ, ৯ মাৰ্চঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণক লৈ আজি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। বিতৰ্কিত নাগৰিকত্ব সংশোধনী আইনক লৈ প্ৰতিবাদ চলি থকাৰ সময়তে বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন কৰিলেও 'কা' আমি মানি নলও বুলি কয় ভূপেন বৰাই। নৰেন্দ্ৰ মোদীয়ে অসমৰ চাহ বাগিচাৰ অৱস্থা উন্নত হোৱা বুলি কৰা দাবীক উভতি ধৰি বৰাই কয় 'চাহ বাগানৰ যথেষ্ট অগ্ৰগতি হৈছে। ইমানে চাহ বাগিচাৰ উন্নতি যদি হৈছে উইলিয়ামছন মেগৰে ১৬ খন চাহ বাগিচা কিয় বিক্ৰী কৰিবলগীয়া হৈছে। মাহেকত এখনকৈ বাগিচা কিয় বিক্ৰী কৰি থাকিবলগীয়া হৈছে। ইমানে যদি অৱস্থা ভাল হৈছে তেন্তে শ্ৰমিকৰ পাৰিশ্ৰমিক ৩৫১ টকা কৰা হোৱা নাই কিয়? উত্তৰ পূৰ্বাঞ্চলৰ তেওঁৰ এটা পৰিয়াল বুলি কৈছে নৰেন্দ্ৰ মোদীয়ে। কিন্তু উত্তৰ পূৰ্বাঞ্চলত মণিপুৰ আছে নে নাই। পৰিয়ালৰ সংকটৰ সময়ত দায়িত্ব লোৱাটো দৰকাৰ আছে নাই? নে পৰিয়ালৰ সংকটৰ সময়ত দূৰৰ পৰা ৰং চাইছে মোদীয়ে। ময়ো লখিমপুৰৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি বনাইছো। লাচিতৰ প্ৰতিমূৰ্তি যিমানে নবনাওক। কিন্তু আমি 'কা' মানি নলও বুলিও স্পষ্ট কৰে ভূপেন বৰাই।



কঁকাল পোনাই অৰুণাচললৈ প্ৰধানমন্ত্ৰীক উষ্ম আদৰণি মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ

# আমবাৰীত চুকলো

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বৰপেটা সমষ্টিত দলে টিকট প্ৰদান কৰিব খোজা ফণীভূষণ চৌধুৰী। এনডিএৰ সহযোগী অগপৰ ভাগত পৰা দুটা সমষ্টি ধুবুৰী আৰু বৰপেটা সমষ্টিৰ প্ৰাৰ্থী বাছনি কৰাত বিলম্ব হোৱাত আজি ততাতৈয়াকৈ জিলা পৰ্যায়ৰ নেতাৰ মতামত ল'বলৈ বিশেষ বৈঠকত অনুষ্ঠিত হয়। বৰপেটা সমষ্টিৰ প্ৰাৰ্থী বাছনিক লৈ জিলা সমিতিৰ মতামত গ্ৰহণ কৰে অগপৰ কেন্দ্ৰীয় নেতৃত্বই। নলবাৰী, কামৰূপ, বঙাইগাঁও, আৰু বৰপেটা জিলা সমিতিৰ প্ৰতিনিধিৰ মতামত গ্ৰহণ কৰে। বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, কমলা কলিতাই মতামত লয়। সেই সময়ত কাৰ্যালয়ত উপস্থিত আছিল বঙাইগাঁৱৰ বিধায়ক তথা দলৰ প্ৰতিষ্ঠাকালৰ নেতা ফণীভূষণ চৌধুৰী। দলে প্ৰথমৰ পৰাই ফণীভূষণ চৌধুৰীক বৰপেটা সমষ্টিত টিকট দিব খুজিছিল। কিন্তু ফণীভূষণ চৌধুৰীয়ে দিছপুৰ এৰি দিল্লীলৈ যাব খোজা নাই। বিধায়ক পদ কোনো কাৰণত এৰিব খোজা নাই বুলি কোৱাৰ লগতে সমষ্টিবাসীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো বিচৰা নাই বুলি কয়। আজি তাকে লৈ আমবাৰীত চকুলো টুকিলে অগপৰ প্ৰতিষ্ঠাকালৰ নেতা ফণীভূষণ চৌধুৰীয়ে। ফণীভূষণ চৌধুৰীয়ে কয় "মোৰ সৈতে আলোচনা নকৰি প্ৰাৰ্থীত্ব দিলে মোৰ দুখ থাকি যাব। এনেকৈ কৈয়ে হঠাতে চকুলো টুকিলে বিধায়ক ফণী ভূষণ চৌধুৰীয়ে। পুনৰ কয় "মোৰ এটাই ব্যৰ্থতা যে মই বেলেগৰ আদৰ্শ লব নোৱাৰিলো। যদি মোৰ লগত আলোচনা নকৰি প্ৰাৰ্থীত্ব দিয়ে তাতকৈ দুখ আৰু নাথাকিব। যোৱা ৩৮টা বছৰ মই দলৰ বাবে কাম কৰিছো। গতিকে যদি মই ভবামতে দলে কাম নকৰে। তেতিয়া মই ভাবিম যে দলে মোক উপেক্ষা কৰিছে। মই দলৰ বাবে নিজকে উচৰ্গা কৰিছো। শেষ মুহূৰ্তত মই ভাবো, দলে মোৰ অমতত কিবা এটা সিদ্ধান্ত নল'ব। এতিয়ালৈকে মোক জনোৱা নাই। মই বাহিৰে বাহিৰে শুনি আছো মোৰ নামটো। সমষ্টিবাসীয়ে বিচৰা নাই মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো। মই নিজেও ভবা নাই নিৰ্বাচন খেলাটো।"

# দুলুক লাগে বৰপেটা

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বিৰোধীৰ ঐক্যত ফাট মেলা দেখা গৈছে। ইতিমধ্যে আপে তিনি সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰিছে। তৃণমূল কংগ্ৰেছে অকলে খেলাৰ ঘোষণা কৰিছে। চিপিআই দলেও প্ৰাৰ্থী ঘোষণা কৰিছে। ইপিনে বৰপেটা আৰু ডিব্ৰুগড় সমষ্টিক লৈ কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদৰ মাজত টনা-আঁজোৰাৰ খেল অব্যাহত আছে। তাৰ মাজতে আজি হোটেল গেটৱে গ্ৰেণ্ডিউৰত লুৰীণজ্যোতি গগৈ, জগদীশ ভূঞা, দুলু আহমেদৰ উপস্থিতিত অসম জাতীয় পৰিষদৰ জৰুৰী বৈঠক অনুষ্ঠিত হয়। চৰ্চা মতে, দুলু আহমেদে বৰপেটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব খোজে। ইতিমধ্যে দলীয় নেতৃত্ব আৰু কংগ্ৰেছ নেতৃত্বক এই কথা অৱগত কৰিছে দুলু আহমেদে। দুলু আহমেদে বিসম্বাদ আৰম্ভ কৰাৰ পাছতে দলে জৰুৰী বৈঠক অনুষ্ঠিত কৰিবলৈ বাধ্য হয়। বৈঠকৰ অন্তত লুৰীণজ্যোতি গগৈয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। উচ্চ পৰ্যায়ৰ বৰ্ধিত ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠকত ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলৰ সৈতে যোগসূত্ৰ স্থাপন, ৰাষ্ট্ৰীয় বিভিন্ন আঞ্চলিক দলসমূহৰ সৈতে যোগসূত্ৰ স্থাপনক লৈ আলোচনা-বিলোচনা কৰা বুলি কয় লুৰীণজ্যোতি গগৈয়ে। আনহাতে গগৈয়ে দলীয় প্ৰাৰ্থীত্ব বিচৰাসকলৰ কথা আলোচনা কৰা হোৱা বুলি কৈ কয় যে দুই এদিনৰ ভিতৰত মিত্ৰতাৰ কথাটো সমাধান হ'ব। আমি আৰম্ভণিৰ পৰাই সমষ্টিক লৈ দাবী দিয়া নাই। আমাৰ প্ৰথম দায়িত্ব হৈছে বিৰোধীক একত্ৰিত কৰা। অসমৰ মাটিৰ পৰা বিজেপিক উৎখাত কৰাটোৱে আমাৰ লক্ষ্য। ৰণকৌশল কৰি থকা হৈছে। যাৰ বাবে এই বৈঠক কৰা হৈছে। আমাৰ প্ৰাৰ্থীসকলক গুৰুত্ব দিয়া হৈছে। যোৱা দুটা দিনত দুলু আহমেদে মন্তব্য দি আহিছে। বৰপেটা সমষ্টিত খেলিব খুজিছে। আনুষ্ঠানিকভাৱে জনাইছে। এই দাবী বিৰোধী ঐক্যমঞ্চত উপস্থাপন কৰিম। গুৱাহাটীত কমল নাৰায়ণ চৌধুৰীয়ে খেলিব বিচাৰিছে। গোটেই বিষয়টো বিৰোধী ঐক্য মঞ্চত উপস্থাপন কৰা হ'ব। লগতে গগৈয়ে কয় যে আজি লোৱা সিদ্ধান্তসমূহো মিত্ৰজোঁটৰ মঞ্চত উপস্থাপন হ'ব। আমি পজিটিভ। বিজেপিক পৰাভূত কৰিব লাগে। দুলু আহমেদে যোৱা দুটা দিনত যিবোৰ কথা কৈছে সেইবোৰক গুৰুত্ব সহকাৰে লৈছো। সেই কথাও উপস্থাপন কৰা হ'ব। কোন ক'ৰ পৰা খেলিব পৰৱৰ্তী সময়ত সিদ্ধান্ত লোৱা হ'ব। ডিব্ৰুগড়ত মোৰ চৰ্চা চলিছে। ৰাজনীতিত চৰ্চা হ'বই। জনতাই বিজেপিক পৰাভূত কৰিব বিচাৰে বুলিও কয় লুৰীণে।

# প্ৰদ্যুম্নৰ পিঠিত মোদীক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

উঠি কাজিৰঙাৰ সেউজীয়া উপভোগ কৰাৰ লগতে বন্য জীৱন-জন্তু প্ৰত্যক্ষ কৰি আপ্লুত হয়। হাতীটোৰ মাউত আছিল ৰাজু গোৱালা। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ তথা বন বিভাগৰ হাতী লক্ষীমাই, প্ৰদ্যুম্ন আৰু ফুলমাইক নিজ হাতেৰে কুঁহিয়াৰো খুৱাই প্ৰধানমন্ত্ৰীয়ে। হাতী কেইটা আৰু মাউতৰ সৈতে দীৰ্ঘ সময় কটাই ফটো শ্বুট কৰি সেই ফটোসমূহ সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছে মোদীয়ে। আনহাতে নৰেন্দ্ৰ মোদীয়ে কেইবাটাও এশিঙীয়া গঁড় নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছে। আনহাতে হাতীৰ জাক, হৰিণা, বিভিন্ন পিৰভ্ৰমী চৰাই আদি প্ৰত্যক্ষ কৰি আপ্লুত হয় নৰেন্দ্ৰ মোদী। বিভিন্ন পৰ্যটকক কাজিৰঙা উদ্যান ভ্ৰমণৰ আহ্বান জনাই নৰেন্দ্ৰ মোদীয়ে। আজি পুৱাই গোলাঘাট জিলাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা এলেকাত পুৱাই হাতী ছাফাৰী আৰু জীপ ছাফাৰী কৰাৰ অন্তত কিছু সময় চাহ বাগিচাত অতিবাহিত কৰে প্ৰধানমন্ত্ৰীয়ে নৰেন্দ্ৰ মোদীয়ে। কাজিৰঙা এলেকাত পুৱাই চাহ বাগিচা পৰিভ্ৰমণ কৰি নৰেন্দ্ৰ মোদীয়ে চাহ বাগিচাৰ মাজত পাত ছিঙি থকা দেখা যায়। এই ফটো সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। ফটো শ্বেয়াৰ কৰাৰ পাছতে বিশ্বই আকৌ এবাৰ অসমৰ চাহৰ বিষয়ে অৱগত হ'ল বুলিও কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচন আয়ুক্ত অৰুণ

কেইসপ্তাহমানৰ পূৰ্বে আজি হঠাৎ পদত্যাগ কৰে নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেলে। ইতিমধ্যে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ গোৱেলৰ পদত্যাগ পত্ৰ স্বীকাৰ কৰিছে দ্ৰৌপদী মুৰ্মুৱে। উল্লেখ্য যে, দুগৰাকী নিৰ্বাচন আয়ুক্ত আৰু এগৰাকী মুখ্য নিৰ্বাচন আয়ুক্তৰে গঠিত নিৰ্বাচন আয়োগৰ এতিয়া সমস্ত দায়িত্ব ভাৰ পৰিছে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ কান্ধত। যোৱা ১৫ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰিছিল নিৰ্বাচন আয়ুক্ত অনুপম পাণ্ডেয়ে। ইয়াৰ পিছতে আজি পদৰ পৰা পদত্যাগ কৰে নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেলেও। এনে পৰিপ্ৰেক্ষিতত ২০২৪ৰ লোকসভা নিৰ্বাচনৰ তাৰিখ ঘোষণাত সমস্যাৰ সৃষ্টি হোৱাৰো আশংকা কৰা হৈছে। প্ৰণিধানযোগ্য যে, ১৯৮৫ চনৰ পঞ্জাৱ কেডাৰৰ বেচৰ আই এ এছ বিষয়া অৰুণ গোৱেলে নিৰ্বাচন আয়ুক্ত হিচাপে যোগদান কৰিছিল ২০২২ চনৰ নৱেম্বৰ মাহত। ২০২৭ চনৰ ডিচেম্বৰ মাহলৈকে তেওঁৰ কাৰ্যকাল আছিল যদিও কি কাৰণত হঠাৎ তেওঁ পদত্যাগ কৰিলে তাক লৈও সৃষ্টি হৈছে ৰহস্যৰ। আইন মন্ত্ৰালয়ৰ অধিসূচনা অনুসৰি গোৱেলৰ পদত্যাগ শনিবাৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে গ্ৰহণ কৰে। মন কৰিবলগীয়া যে, নিৰ্বাচন আয়োগত গোৱেল নিযুক্তিক লৈও সূচনা হৈছিল বিতৰ্কৰ। গোৱেলৰ নিযুক্তি অনৈতিক বুলি দাবী কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল এছ'চিয়েশ্যন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্ম (এডিআৰ)য়ে। দাখিল কৰা পিআইএলত কোৱা হৈছিল যে অৰুণ গোৱালৰ নিযুক্তি আইন অনুসৰি নহয়। তদুপৰি এয়াও নিৰ্বাচন আয়োগৰ প্ৰতিষ্ঠানিক স্বায়ত্তশাসনৰ উলংঘা, ইয়াৰ উপৰিও সংবিধানৰ ১৪ আৰু ৩২৪ (২) অনুচ্ছেদৰ লগতে নিৰ্বাচন আয়োগ (আয়ুক্তৰ কাৰ্য্যকৰী আৰু কাৰ্যবাহী ক্ষমতা) আইন ১৯৯১ উলংঘা কৰি অৰুণ গোৱেলৰ নিযুক্তি দিয়া বুলি অভিযোগ কৰা হৈছিল। ইফালে পিআইএলৰ পূৰ্বে এডিআৰে নিৰ্বাচন আয়ুক্তৰ বৰ্তমানৰ নিযুক্তি প্ৰক্ৰিয়াৰ সাংবিধানিক বৈধতাকো উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাইছিল। আৱেদনখনত উল্লেখ কৰা অনুসৰি ভাৰত চৰকাৰে গোৱেলৰ নিযুক্তি নিশ্চিত কৰাৰ সমান্তৰালকৈ কৈছিল যে যিহেতু প্ৰস্তুত কৰা পেনেলৰ চাৰিজন ব্যক্তিৰ ভিতৰত তেওঁ আটাইতকৈ কম বয়সীয়া, গতিকে নিৰ্বাচন আয়োগত তেওঁৰ কাৰ্যকাল আটাইতকৈ বেছি হ'ব। আৱেদনখনত যুক্তি দিয়া হয় যে বয়সৰ ভিত্তিত গোৱেলৰ নিযুক্তিৰ ন্যায্যতা প্ৰদান কৰিবলৈ ইচ্ছাকৃতভাৱে এটা ত্ৰুটিপূৰ্ণ পেনেল গঠন কৰা হৈছিল। কিন্তু পিছত যোৱা বছৰ দুজনীয়া ন্যায়াধীশৰ বিচাৰপীঠে এই আবেদন খাৰিজ কৰি কয় যে সংবিধানৰ বিচাৰপীঠে এই বিষয়টো পৰীক্ষা কৰিছিল যদিও গোৱেলৰ নিযুক্তি বাতিল কৰিবলৈ অস্বীকাৰ কৰে।



যোৰহাটৰ মেলেং মেটেলীত প্ৰধানমন্ত্ৰী মোদীৰ সভাত অসমৰ লাখপতি বাইদেউসকল

# সঞ্জিত বৰাক আটক আৰক্ষীৰ



**ই-সংবাদ, ৯ মাৰ্চঃ** ৰাজ্যৰ বিভিন্ন দল-সংগঠনে ‘কা’ আন্দোলন অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী অসমত উপস্থিত হোৱাৰ দিনটোতে আছু আৰু বিৰোধী ঐক্য মঞ্চই প্ৰতিবাদ সাব্যস্ত কৰিছে। তাৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মধ্য অসমৰ গোলাঘাট জিলাত থকাৰ সময়তে ফেচবুকত পোষ্ট দিয়াৰ অভিযোগত বীৰ লাচিত সেনাৰ এজন নেতাক আটক কৰিছে অসম আৰক্ষীয়ে। মাজুলীৰ সঞ্জিত বৰা নামৰ বীৰ লাচিত সেনাৰ নেতাজনক মাজুলীৰ গড়মূৰ আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। সঞ্জিত বৰা বীৰ লাচিত সেনাৰ মাজুলী জিলা সমিতিৰ মুখ্য সচিব পদত কাৰ্যনিৰ্বাহ কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৮ মাৰ্চত অসমৰ তেজপুৰত উপস্থিত হৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ আহে। নিশা কঁহৰাস্থিত আৰক্ষীৰ অতিথিশালাত থাকি পুৱাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰে। তাৰ পাছতে আজি যোৰহাট জিলাৰ মেলেং-মেটেলি পথাৰত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। ঠিক তেনে সময়ৰে পূৰ্বেই ফেচবুকত পোষ্ট দিছিল সঞ্জিত বৰাই। ফলত মাজুলীৰ গড়মূৰ আৰক্ষীয়ে আটক কৰি আৰক্ষী থানাত বহুৱাই ৰখা বুলি জানিব পৰা গৈছে। সঞ্জিত বৰাই ফেচবুক পোষ্ট কয় “অসম আৰু অসমীয়া বাবে জীৱন দিবলৈ সাজু আছো। জাতিৰ গাড্ডাৰ কৰাসকলক ৰঙা দলিচা পৰাসকললৈ ধন্যবাদ জনালো। ইতিহাসে সোঁৱৰাব সময়ত। মোৰ, জাতি আৰু মাটি প্ৰেমৰ বাবে যদি কাৰোবাক বিসৰ্জন দিব লগা হয়, সাজু আছো। ঘৰ ভেটি-মাটি, পৰিবাৰ সকলো বিসৰ্জন দিবলৈ সাজু আছো। বীৰৰ দৰে আহিছো, বীৰৰ দৰে যাম। আই অসমীৰ জয় গান গায় যাম। জয় আই অসম।”

# ধৰ্মৰ অৱমাননাৰ অভিযোগতে মৃত্যুৰ শাস্তি

## হজৰত মহম্মদৰ বিষয়ে অপমানজনক মন্তব্য

**ই- সংবাদ, ৯মাৰ্চঃ** ধৰ্মান্ধ পাকিস্তানত ধৰ্মৰ অৱমাননাৰ অভিযোগতে মৃত্যুৰ শাস্তি বিহা হ’ল এজন ২২ বৰ্ষীয় ছাত্ৰক। হজৰত মহম্মদৰ বিষয়ে অপমানজনক মন্তব্য কৰাৰ লগতে হোৱাটছএপৰ জৰিয়তে ধৰ্মীয় অপমানজনক ছবি আৰু ভিডিঅ’ প্ৰেৰণ কৰাৰ বাবে মৃত্যুদণ্ড বিহা হয় ছাত্ৰজনক। ইফালে একে অভিযোগতে যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছে এজন ১৭ বৰ্ষীয় কিশোৰকো। উল্লেখ্য যে, ধৰ্মই গ্ৰাস কৰা পাকিস্তানত ঈশ্বৰৰ নিন্দাৰ শাস্তি হৈছে মৃত্যু। যদিও চৰকাৰে পূৰ্বে কাকো ফাঁচীৰ শাস্তি বিহা নাছিল, কিন্তু ধৰ্মক অপমান কৰাৰ অভিযোগত কেইবাজনো লোকক মৰিয়াই হত্যা কৰা হৈছে ৰাষ্টখনত। ইফালে শেহতীয়াকৈ মৃত্যুদণ্ডৰ শাস্তি প্ৰদান কৰা ছাত্ৰজনৰ বিৰুদ্ধে ২০২২ চনত অভিযোগ দাখিল কৰিছিল পাকিস্তানৰ ফেডাৰেল ইনভেষ্টিগেচন এজেন্সীৰ চাইবাৰ ক্ৰাইম ইউনিটে। ইয়াৰ পিছতে এই ব্যৱস্থা গ্ৰহণ কৰা হয়। অভিযোগকাৰীয়ে অভিযোগ কৰা মতে, ছাত্ৰজনে তিনিটা ভিন্ন মোবাইল ফোন নম্বৰৰ পৰা পয়গম্বৰ হজৰত মহম্মদক অপমান কৰা ভিডিঅ’ আৰু ফটো প্ৰেৰণ কৰিছিল। অৱশ্যে দুয়োজন ছাত্ৰৰ অধিবক্তাই এই গোচৰত তেওঁলোকক মিছাকৈ জড়িত কৰা বুলি উল্লেখ কৰিছে। বাতৰি অনুসৰি, মৃত্যুদণ্ড বিহা ছাত্ৰজনৰ পৰিয়ালে লাহোৰ উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিব। প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে যোৱা বছৰৰ আগষ্ট মাহত দুজন খ্ৰীষ্টান ভাতৃৰ বিৰুদ্ধে কোৰআনক ‘অপবিত্ৰ’ কৰাৰ অভিযোগ উত্থাপন হৈছিল, তাৰ পিছত পাকিস্তানত ৮০টাতকৈও অধিক খ্ৰীষ্টান আৱাস আৰু ১৯টা গীৰ্জা ভাঙি পেলোৱা হৈছিল।



**বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু। আঘাতপ্ৰাপ্ত সাংসদ তপন গগৈক হুইল চেয়াৰত বহুৱাই প্ৰধানমন্ত্ৰীৰ সভালৈ আনিছে সৰ্বানন্দ সোণোৱাল, ৰামেশ্বৰ তেলী, ভবেশ কলিতা, ৰণজিৎ দাস আদিয়ে..**

# মত প্ৰকাশৰ অধিকাৰক লৈ উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ক মাছৰ আদৰণি

**ই-সংবাদ, মৰিগাঁও, ৯ মাৰ্চঃ** ন্যায়াধীশ উজ্জ্বল ভূঞা আৰু এ.এছ ওকাৰ দুজনীয়া বিচাৰ পীঠে মহাৰাষ্ট্ৰৰ কোলহাপুৰৰ এখন মহাবিদ্যালয়ৰ অধ্যাপক জাভেদ হামিদ হাজামৰ এখন আপীল আবেদনৰ সন্দৰ্ভত প্ৰদান কৰা ৰায়ক মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে আদৰণি জনাইছে। সংগঠনটোৱে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত মাছৰ মুখ্য উপদেষ্টা বুবুমনি গোস্বামী, অধ্যক্ষ আদিত্য লহকৰ আৰু সচিব প্ৰধান লক্ষীপ্ৰসাদ ডেকাই কয় যে সংবিধানৰ ১৯ অনুচ্ছেদে দিয়া নাগৰিকৰ মৌলিক অধিকাৰ (মানৱ অধিকাৰ) সুৰক্ষাৰ ক্ষেত্ৰত ৰায়টোৰ বক্তব্য অতি গুৰুত্বপূৰ্ণ। দুজনীয়া বিচাৰপীঠখনে প্ৰদান কৰা ৰায়টোত কোৱা হৈছিল যে কেৱল চৰকাৰী সিদ্ধান্তক সমালোচনা কৰাটোকে ভাৰতীয় দণ্ডবিধিৰ ১৫৩ (ক) ধাৰাত অভিযোগ কৰিব নোৱাৰিব। তেওঁলোকে পুনৰ কয় কেৱল প্ৰতিবাদী কবিতা লিখা আৰু সামাজিক মাধ্যমত শাসকীয় দল-চৰকাৰক সমালোচনা কৰা বা “কা” বিৰোধী আন্দোলনক সমৰ্থন কৰাৰ বাবেই গ্ৰেপ্তাৰৰ দৰে দমনমুলক ব্যৱস্থা লোৱা চৰকাৰ আৰু আৰক্ষীয়ে সংবিধান প্ৰদত্ত বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ প্ৰশ্নত উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা এই ৰায়ক সন্মান জনাবলৈ আহ্বান জনায়।

# নাৰীশক্তি সুদৃঢ় হ'বই লাগিব

# মৰিগাঁৱত নেহেৰু যুৱ কেন্দ্ৰৰ নাৰীশক্তি সক্ষমতা দৌৰ




**ই-সংবাদ, লাহৰীঘাট, ৯ মাৰ্চঃ** এখন সুস্থ সমাজ আৰু শক্তিশালী ৰাষ্ট্ৰত নাৰীৰ ভূমিকা অপৰিসীম৷ শিক্ষিত নাৰীয়ে এখন শক্তিশালী সমাজ গঠন কৰিব পাৰে৷ গতিকে নাৰীক অধিক শক্তিশালী আৰু শিক্ষিত কৰি তুলি এখন সুস্থ আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ গঠন কৰিবৰ বাবে নাৰী শক্তিক আগবাঢ়ি যাবলৈ সমাজত বাস কৰা প্ৰতিজন ব্যক্তিয়ে উৎসাহিত তথা সহযোগিতা আগবঢ়োৱা উচিত৷ নাৰীশক্তি ৰাষ্ট্ৰ শক্তি৷ নাৰীশক্তি সুদৃঢ় হ'লেহে এখন দেশ শক্তিশালী আৰু সমৃদ্ধিশালী হ'ব৷ নাৰীশক্তিক উৎসাহিত তথা শক্তিশালী কৰাৰ উদ্দেশ্য আগত ৰাখি ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ নেহেৰু যুৱ কেন্দ্ৰ সংগঠনে আন্তঃৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি আজি ৯ মাৰ্চত নাৰীশক্তি সক্ষমতা দৌৰৰ আয়োজন কৰিছে৷ মৰিগাঁও জিলা নেহেৰু যুৱ কেন্দ্ৰইও মৰিগাঁৱৰ ছটা উন্নয়ন খণ্ডতে এই কাৰ্যসূচী আয়োজন কৰিছে৷ তৰাণী কলবাৰী এল.পি স্কুল খেলপথাৰত প্ৰকৃতিপ্ৰেমী মঞ্চৰ সহযোগত, মণিকাঞ্চন যোগ স্পৰ্টছ এছ'চিয়েচনৰ সহযোগত এই কাৰ্যসূচী আয়োজন কৰা হয়৷ প্ৰতিটো উন্নয়ন খণ্ডৰ এই সক্ষমতা দৌৰৰ অৰ্ধ শতাধিক মহিলা, যুৱতী আৰু সমগ্ৰ মৰিগাঁও জিলাত পাঁচশতাধিক মহিলাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে৷ নাৰীশক্তি সক্ষমতা দৌৰ প্ৰতিযোগিতাৰ অন্তত প্ৰতিটো স্থানতে প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত প্ৰতিযোগীক টি-ছাৰ্ট, কেপ, ৰিষ্টবেণ্ড আৰু মাই ভাৰত ল'গ সম্বলিত কফিকাপেৰে পুৰস্কৃত কৰা হয়৷ মৰিগাঁও নেহেৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া বিকাশ চন্দ্ৰ প্ৰধান আৰু গাণনিক তথা কাৰ্যসূচী বিষয়া ধণঞ্জয় তালুকদাৰে সক্ষমতা দৌৰত অংশগ্ৰহণ কৰা সকলোকে অভিনন্দন জনোৱাৰ লগতে অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে৷ দলংঘাট উন্নয়ন খণ্ডৰ জাজৰি অনন্ত প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত নটৰাজ ডান্স একাডেমীৰ সহযোগত, মৈৰাবাৰী উন্নয়ন খণ্ডৰ পশ্চিম মৈৰাবাৰী উন্নয়ন সমিতিৰ সহযোগত মৈৰাবাৰী নুৰুল আমিন খেলপথাৰত, লাহৰীঘাট উন্নয়ন খণ্ডৰ ধিংঙ্গাৰীআটি অমৰজ্যোতি ক্লাৱৰ সহযোগত, কপিলী উন্নয়ন খণ্ডৰ তাজমহল মহিলা মণ্ডল, জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কাৰ্যসূচী আয়োজন কৰা হয়৷

## সামাজিক মাধ্যমত ব্যাপক চৰ্চিত প্ৰধানমন্ত্ৰীৰ ফটো

# অসমত চাহ বাগিচাত পাত ছিঙিলে নৰেন্দ্ৰ মোদীয়ে



**ই-সংবাদ, ৯মাৰ্চঃ** বিশ্বত আছে অসমৰ চাহপাতৰ আদৰ৷ অসমৰ মানুহক বিশ্বই জানে চাহৰ উৎপাদক ৰূপে৷ অসমৰ পুৰাৰ পানীয়ই বিশ্বৰ মানুহক দিনটোৰ বাবে সতেজ কৰে৷ আজি যেন বিশ্বত এক নতুন মাত্ৰা লাভ কৰিলে অসমৰ চাহে৷ কিয়নো আজি পুৱাই গোলাঘাট জিলাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা এলেকাত পুৱাই হাতী ছাফাৰী আৰু জীপ ছাফাৰী কাৰ অন্তত কিছু সময় চাহ বাগিচাত অতিবাহিত কৰে৷ প্ৰধানমন্ত্ৰীয়ে নৰেন্দ্ৰ মোদীয়ে৷ কাজিৰঙা এলেকাত পুৱাই চাহ বাগিচা পৰিভ্ৰমণ কৰি নৰেন্দ্ৰ মোদীয়ে চাহ বাগিচাৰ মাজত পাত ছিঙি থকা দেখা যায়৷ এই ফটো সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে৷ বিশ্বৰ জনপ্ৰিয় নেতাগৰাকীয়ে ফটো শ্বেয়াৰ কৰাৰ পাছতে বিশ্বই আকৌ এবাৰ অসমৰ চাহৰ বিষয়ে অৱগত হ'ল৷ এই ফটো এক্সত খোদ শ্বেয়াৰ কৰিছে মোদীয়ে৷ মোদীয়ে ফটো শ্বেয়াৰ কৰি কয় ''অসম উৎকৃষ্ট চাহ বাগিচাৰ বাবে পৰিচিত আৰু অসমৰ চাহে সমগ্ৰ বিশ্বতে নিজৰ স্থান দখল কৰিছে। পৰিশ্ৰম কৰি সমগ্ৰ বিশ্বতে অসমৰ গৌৰৱ বৃদ্ধি কৰা উল্লেখনীয় চাহ বাগিচা সমাজখনক মই প্ৰশংসা কৰিছো। লগতে পৰ্যটকসকলকো ভ্ৰমণৰ সময়ত চাহ বাগিচাসমূহ পৰিদৰ্শন কৰিবলৈ আহ্বান জনাইছো।'' দুদিনীয়া কাৰ্যসূচীৰে কাজিৰঙালৈ অহা নৰেন্দ্ৰ মোদীয়ে কঁহৰা ৰেঞ্জৰ মিহিমুখ অঞ্চল পৰিদৰ্শন কৰি সমীপৰ চাহ বাগিচালৈ যায়

# ভেৰগাঁৱত মুখ্যমন্ত্ৰীয়ে শিলান্যাস কৰিব কেইবাটাও আঁচনিৰ

**ই-সংবাদ, শুক্ৰাই, ৯ মাৰ্চঃ** ওদালগুৰি জিলাৰ ভেৰগাঁৱত ১০ মাৰ্চত এখন জনসভা সম্বোধন কৰিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ সভাৰ পৰাই বিকাশ যাত্ৰাৰ অধিনত অসম মালা আঁচনিৰে নিৰ্মাণ কৰিবলগীয়া কেইবাটাও গুৰুত্বপূৰ্ণ পথ আৰু আঁচনিৰ শিলান্যাস কৰিব মুখ্যমন্ত্ৰীগৰাকীয়ে৷ তদুপৰি প্ৰায় ২৩ খন চাহ বাগিছাত এম্বুলেন্স বিতৰণ কৰিব মুখ্যমন্ত্ৰীয়ে৷ ২০০৩ চনত ওদালগুৰিৰ কচুবিলত সংঘটিত এক অবাঞ্চিত ঘটনাত পুলিচৰ গুলিত নিহত আঠগৰাকীকৈ লোকৰ পৰিয়ালক পাঁচ লাখ আৰু আহত ব্যক্তিক এক লাখকৈ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰিব৷ ইতিমধ্যে ভেৰগাঁৱত মুখ্যমন্ত্ৰীক আদৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে বিজেপিয়ে৷ প্ৰায় ৩০ হাজাৰ দলীয় কৰ্মী আৰু ৰাইজ উপস্থিত থাকিব মুখ্যমন্ত্ৰীৰ সভাত৷ ইতিমধ্যে বৃহৎ সভামঞ্চ সাজু কৰি তুলিছে৷ দিনৰ ১ বজাত হেলিকপ্টাৰেৰে পদাৰ্পণ কৰিব মুখ্যমন্ত্ৰীগৰাকীয়ে৷ ভেৰগাঁও ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া মুখ্যমন্ত্ৰীৰ বিশাল জনসভাক লৈ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিজেপি দলৰ নেতা-কৰ্মীসকল উৎফুল্লিত হৈ পৰিছে৷

## এক হ'ল ডি এম কে, কংগ্ৰেছ আৰু এম এন এম

# তামিলনাডুত ৯ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব কংগ্ৰেছে

**ই-সংবাদ, ৯ মাৰ্চঃ** সন্মুখত ৰণাঙ্গন। ২০২৪ৰ লোকসভা নিৰ্বাচনৰ তাৰিখ শীঘ্ৰে ঘোষণা হোৱাৰ সম্ভাৱনা। নিৰ্বাচনৰ পূৰ্বৰ এই সময়ছোৱাত ইতিমধ্যে ব্যস্ত ৰূপত দেখা গৈছে প্ৰতিটো ৰাজনৈতিক দলকে। বিজেপিৰ পিছত শেহতীয়াকৈ প্ৰথমখন প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে কংগ্ৰেছেও। এতিয়া খবৰ ওলাইছে, তামিলনাডুত নিৰ্বাচনৰ বাবে যুটি বান্ধিছে ডি এম কে, কংগ্ৰেছ আৰু এম এন এমে। তামিলনাডুৰ শাসকীয় দল ডি এম কে আৰু কংগ্ৰেছৰ মাজত আজি চূড়ান্ত হয় আসনৰ ভাগ-বতৰা। সন্ধিয়া ডিমকেৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী এম কে ষ্টেলিন আৰু তামিলনাডু কংগ্ৰেছৰ সভাপতি কে চেলভাপেৰুন্থাগাই তথা কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা কে চি বেণুগোপালৰ মাজত অনুষ্ঠিত হোৱা বৈঠকৰ অন্তত ঘোষণা কৰা হয় আসনৰ ভাগ-বতৰা। এই আসনৰ বুজাবুজি অনুসৰি তামিলনাডুত ৯ খন আৰু পুডুচেৰীত এখন আসন এৰি দিয়া হৈছে কংগ্ৰেছক। ইফালে এই মিত্ৰজোঁটৰ অংশীদাৰ কমল হাছানৰ দল এম এন এমক লোকসভা নিৰ্বাচনৰ বাবে কোনো আসন প্ৰদান কৰা হোৱা নাই যদিও ২০২৫ চনৰ ৰাজ্যসভা নিৰ্বাচনৰ বাবে দলটোক এখন আসন দিয়া হৈছে। কমল হাছানে দেশৰ কল্যাণৰ বাবে ডি এম কে নেতৃত্বাধীন মিত্ৰজোঁটত যোগদান কৰা বুলি মন্তব্য কৰে। কমল হাছানে কয়, 'মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰো। মই কোনো পদৰ বাবে নহয়, দেশৰ বাবে ডিএমকে নেতৃত্বাধীন মিত্ৰজোঁটত যোগদান কৰিছো।' চেন্নাইৰ ডি এম কেৰ মুখ্য কাৰ্যালয় আন্না আৰিভালামত মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ পিছত কমল হাছানে কয় যে মই মিত্ৰজোঁটক মোৰ সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো। ইফালে ষ্টেলিনৰ দল ডি এম কেয়ে ভাৰতীয় কমিউনিষ্ট পাৰ্টি আৰু চি পি আই এমক দুখনকৈ আসন দিছে। তদুপৰি ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগ আৰু কংগু দেশা মক্কল কটচীক এখনকৈ আসন প্ৰদান কৰা হৈছে। বিদুঠালাই চিৰুথিগল কটচীকো দুখন আসন দিয়া হৈছে। উল্লেখ্য যে, বিৰোধীৰ ইণ্ডিয়া মিত্ৰজোঁটৰ অংশ ডিএমকেও। তামিলনাডুত ২০১৯ চনৰ সাধাৰণ নিৰ্বাচন আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে ডি এম কেয়ে জয়লাভ কৰে।



ৰাইজক বিবেক ভোট দিবলৈ আহ্বান জনাই মহানগৰীৰ চিটিবাছত প্ৰচাৰ পত্ৰিকা বিতৰণ কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰৰ

# নাম-গোন্ধ নাই প্ৰধানমন্ত্ৰী আৱাস যোজনা আচঁনিৰ

# গোহালি সদৃশ ঘৰত জীৱন নিৰ্বাহ ধৰ্মপুৰ সমষ্টিৰ দৰিদ্ৰ পৰিয়ালৰ





**ই-সংবাদ, নলবাৰী, ৯ মাৰ্চঃ** মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ ধৰ্মপুৰ সমষ্টিত আজিও বহু পৰিয়ালে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ নকৰাৰ অভিযোগ উত্থাপন হৈছে৷ ঘৰ নোপোৱাত বহু দৰিদ্ৰ পৰিয়ালে জৰাজীৰ্ণ বাঁহৰ ঘৰত বসবাস কৰিবলগীয়া হৈছে৷ এটা চৰকাৰী ঘৰৰ বাবে পঞ্চায়ত কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ তাঁতবাটি কাঢ়ি চেণ্ডেল ক্ষয় গৈছে৷ যোগ্য আৰু প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি আৰ্থিকভাবে সবল পৰিয়ালকো ঘৰ দিয়াৰ অভিযোগ উত্থাপন হৈ আহিছে৷ নিৰ্বাচনৰ সময়ত সমষ্টিলৈ সঘনাই অহা চন্দ্ৰমোহন পাটোৱাৰীয়ে নিৰ্বাচনৰ পাছত গুৱাহাটীতে সময় কটায়৷ শীততাপ নিয়ন্ত্ৰিত গাড়ী-ঘৰত দিন কটোৱা পাটোৱাৰীয়ে সমষ্টিবাসীৰ খবৰ ল'বলৈ আহৰি নাপায়৷ যাৰ ফলত আজিও সমষ্টিৰ একাংশ লোকে কদৰ্য্যময় পৰিবেশত বসবাস কৰিবলৈ বাধ্য হৈছে৷ ধৰ্মপুৰ সমষ্টিত বহু পৰিয়ালে গোহালি সদৃশ ঘৰত আদিম যুগৰ দৰে বসবাস কৰিবলৈ বাধ্য হৈছে৷ তেনেই এটা পৰিয়াল হৈছে ধৰ্মপুৰ সমষ্টিৰ ২১নং গাঁও পঞ্চায়তৰ আমনিৰ ৰঞ্জিত বৰ্মনৰ পৰিয়াল৷ আজিলৈ চৰকাৰী আৱাস গৃহ এটা লাভ নকৰিলে ৰঞ্জিত বৰ্মনে৷ মাটিৰ লেপ দিয়া বাঁহৰ বেৰৰ ঘৰ৷ তাকো হাউলি পৰো পৰো অৱস্থা৷ ৰঞ্জিত বৰ্মনৰ দৰে দুৰ্ভগীয়া পৰিয়ালে চৰকাৰী আঁচনি ঘৰ নাপায় কিয়? কেইটামান টকা ঘোচ দিব নোৱাৰাৰ বাবেই ৰঞ্জিত বৰ্মনে ঘৰ নাপোৱাৰ অভিযোগ উত্থাপন হৈছে৷ ২১ শতিকাত ধৰ্মপুৰ সমষ্টিত মানুহৰ বসবাস কৰিবলৈ ঘৰ নাই৷ এয়া এক ট্ৰেজেডী৷ ৰঞ্জিত বৰ্মনৰ দৰে বহু পৰিয়ালে ঘৰ নোপোৱাৰ লগতে কৃষকৰ আঁচনি, অৰুণোদয় আঁচনিও নাপালে৷ আজিও চন্দ্ৰমোহন পাটোৱাৰীৰ সমষ্টিত অলিয়ে-গলিয়ে এনে ঘৰ থকা অলেখ পৰিয়াল আছে৷ কিন্তু এনে দাল দৰিদ্ৰ পৰিয়ালক এটা ঘৰ দিয়াৰ ব্যৱস্থা নকৰিলে চন্দ্ৰমোহন পাটোৱাৰীয়ে৷ সামাজিক মাধ্যমত সক্ৰিয় থকা পাটোৱাৰীৰ সমষ্টিৰ এলেকাত দৰিদ্ৰ পৰিয়ালে দুৰ্বিসহ দিন পাৰ কৰিবলগীয়া হৈছে৷

## ইউ.পি.পি.এল-বিজেপি নেতাৰ ৰমৰমীয়া ব্যৱসায়

# দলীয় নেতাই টকা উলিয়াই নি নিৰ্মাণ কৰি নিদিলে দৰিদ্ৰৰ বাসগৃহ

**পৱন নাথ, ৮ মাৰ্চঃ** প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰত এতিয়া বিয়াপি দি ফুৰিছে দালাল৷ দালাল তথা দুৰ্নীতিগ্ৰস্ত লোকসকল ইউ.পি.পি.এল আৰু বিজেপি দলৰ সৈতে জড়িত বুলি অভিযোগ উত্থাপন হৈ আহিছে৷ মিত্ৰজোঁটৰ বিটিআৰ চৰকাৰৰ একাংশ ঠিকাদাৰৰূপী দালালগিৰি কৰি অহা নেতাই কাকো কেৰেপ নকৰি দুৰ্নীতি সংঘটিত কৰি গৈছে। প্ৰমোদ বড়োৱে দুৰ্নীতিমুক্ত বিটিআৰৰ শ্ল’গান দিলেও স্বয়ং শাসকীয় ইউ.পি.পি.এল আৰু বিজেপি দলৰ নেতা-কৰ্মীৰ দুৰ্নীতি এতিয়া সুলভ হৈ পৰিছে৷ এনে নেতাই বিটিআৰৰ নাগৰিকৰ তেজ শুহি খাইছে৷ হাগ্ৰামাৰ ১৭ বছৰীয়া দুৰ্নীতিক লৈ সততে সৰব ইউ.পি.পি.এলৰ দুৰ্নীতিৰ দস্তাবেজ পোহৰলৈ অহাত সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ বিপিএফৰ ১৭ বছৰীয়া দুৰ্নীতিৰ ৰেকৰ্ড মাত্ৰ তিনি বছৰতে ভংগ কৰিছে প্ৰমোদ বড়োৰ দলৰ নেতাই৷ প্ৰতিটো আঁচনিতে সংঘটিত কৰিছে ভয়ানক দুৰ্নীতি৷ দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা প্ৰমোদ বড়োৰ কাৰ্যকালত ভিচিডিচিয়ে, ভিচিডিচিয়ে সংঘটিত হৈছে দুৰ্নীতি৷ আনহে নালাগে বিটিআৰত দৰিদ্ৰৰ বাবে আৱণ্টিত প্ৰধানমন্ত্ৰী আৱাস যোজনা ৰূপায়নত একাংশ শাসকীয় নেতাই দুৰ্নীতি সংঘটিত কৰি আহিছে৷ গৃহ নিৰ্মাণ নকৰাকৈয়ে ঠিকাদাৰৰূপী দালালে সমুদায় ধন আত্মসাৎ কৰাৰ লগতে ধন মোকলাই অনাৰ পাছতোবছৰৰ পাছত বছৰ ধৰি দৰিদ্ৰৰ গৃহসমূহ আধৰুৱা কৰি ৰাখিছে৷ শেহতীয়াকৈ ওদালগুৰি জিলাৰ ভেৰগাঁও উন্নয়ন খণ্ডৰ জৰিয়তে বামুণজুলি ভিচিডিচিত গৃহ নিৰ্মাণত সংঘটিত অনিয়ম পোহৰলৈ আহিছে৷ মুখ্যমন্ত্ৰীয়ে বাৰম্বাৰ গৃহ নিৰ্মাণত ঠিকাদাৰী প্ৰথা বন্ধ কৰিবলৈ নিৰ্দ্দেশনা দি আহিছে যদিও বিটিআৰত মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি হিতাধিকাৰীক ভাবুকি, প্ৰলোভনদি একাংশ দলীয় নেতা-কৰ্মীয়ে গৃহ নিৰ্মাণৰ ঠিকা লোৱাৰ অভিযোগ উত্থাপন হৈছে৷ যাৰ বাবে আৱাসগৃহ নিৰ্মাণত ব্যাপক হাৰত দুৰ্নীতি সংঘটিত হোৱা দেখা গৈছে৷ ভেৰগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত বামুণজুলি ভি.চি.ডি.চিৰ টিপাবস্তী গাঁৱৰ বাসন্তী বাইগা আৰু সুশীলা কৰ্মকাৰ নামৰ দুগৰাকী দৰিদ্ৰ মহিলাৰ আৱাস গৃহ বিগত দুবছৰে সম্পূৰ্ণ হৈ নুঠিল। ডিমাকুছিৰ স্থানীয় নবীন বড়ো নামৰ এগৰাকী স্বয়ম্ভু ঠিকাদাৰ ৰূপী দলীয় নেতাই লাভ কৰিছিল দুয়োটা গৃহ নিৰ্মাণৰ ঠিকা। কেৱল দুটা পৰিয়ালৰে নহয় আৰু বহুকেইটা পৰিয়ালৰ গৃহৰ কাম সম্পূৰ্ণ নকৰাকৈয়ে স্বয়ম্ভু ঠিকাদাৰে আৱণ্টিত ধন মোকলাই অসম্পূৰ্ণ কৰি ৰাখিছে চৰকাৰী গৃহ। কিন্তু দৰিদ্ৰ মহিলা দুগৰাকীৰ ঘৰটো সামান্য নিৰ্মাণ কৰিয়েই নবীন বড়ো নামৰ ঠিকাদাৰ জনে দুটা কৃষ্টিৰ ধন জালিয়াতিৰে মোকলাই নিয়ে৷ ধন মোকলাই নিয়াৰদুবছৰ পাছতো ঘৰকেইটা নিৰ্মাণ নকৰাত দুৰ্ভগীয়া পৰিয়ালে বহুবাৰ ঠিকাদাৰ নবীন বড়োক অনুৰোধ জনোৱাৰ পাছতো কোনো সহাৰিনিদিলে৷ ভিচিডিচিৰ অধ্যক্ষ, ভেৰগাঁও উন্নয়ন খণ্ডত অভিযোগ দিয়ে দিও কোনো সহাৰি নাপালে৷ কথা চহকী স্বয়ম্ভু সাংসদ দিলীপ শইকীয়াই সভাই-সমিতিয়ে বিটিচিৰ পৰা দুৰ্নীতি ভ্ৰষ্টাচাৰ নাইকীয়া হোৱা বুলি দাবী কৰি অহাৰ সময়তে সাংসদজনৰ চকুৰ সন্মুখতে দৰিদ্ৰৰ ধন আত্মসাৎ কৰা হৈছে৷ তাৰ পাছতো চকু মুদা কুলিৰ ভাও ধৰি আহিছে সাংসদ দিলীপ শয়কীয়াই। সাংসদ দিলীপ শইকীয়া, প্ৰমোদ বড়োৱে প্ৰতিদিনে সভা-সমিতিত দুৰ্নীতিৰ বিৰুদ্ধে ডিঙি ফুলাই ভাষণ দিয়ে৷ আনফালে একাংশ নেতাৰ দৰিদ্ৰৰ আঁচনিৰ ধনত লোলোপ দৃষ্টি৷ সকলো দেখি-শুনি মৌন সাংসদ দিলীপ শইকীয়া৷ দলীয় কৰ্মীৰ বাদে সাধাৰণ জনতাক চিনি নোপোৱা অকৰ্মণ্য সাংসদ দিলীপ শইকীয়াই এই ক্ষেত্ৰত ন্যায় দিবলৈ সক্ষম হ'ব নে দৰিদ্ৰ লোকসকলক। ভেৰগাঁও উন্নয়ন খণ্ডৰ বামুণজুলি ভিচিডিচিত প্ৰধানমন্ত্ৰী আৱাস গৃহ নিৰ্মাণত হোৱা কেলেংকাৰীক লৈ কি ব্যৱস্থা গ্ৰহণ কৰিব প্ৰমোদ বড়ো আৰু সাংসদ দিলীপ শইকীয়াই৷ সেয়াই হ’ব লক্ষণীয়৷





শেষ পৃষ্ঠা

# টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ জয়

**ধৰমশালা, ৯ মাৰ্চঃ** ইংলেণ্ডৰ বিৰুদ্ধে ইয়াত খেলা পঞ্চম টেষ্টত এক ইনিংছ ৬৪ ৰানত জয়লাভ কৰে টীম ইণ্ডিয়াই। ভ্ৰমণকাৰীক দলটোৰ প্ৰথম ইনিংছৰ ২১৮ ৰানৰ প্ৰত্যুত্তৰত ভাৰতীয় দলে প্ৰথম ইনিংছত ১২৪.১ অভাৰত ৪৭৭ ৰান কৰে। প্ৰথম ইনিংছত ২৫৯ ৰানৰ অগ্ৰগতি লাভ কৰে ভাৰতে। ইয়াৰ পিছত দ্বিতীয় ইনিংছ আৰম্ভ কৰি দলীয় স্ক'ৰ দুই হওঁতে প্ৰাৰম্ভিক বেটাৰ বেন ডুকেটৰ উইকেট হেৰুৱায়। ইয়াৰ পিছত নিয়মীয়াকৈ উইকেট হেৰুৱাই মাত্ৰ ৪৮.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১৯৫ ৰান। ফলত ইংলেণ্ডে এক ইনিংছ ৬৪ ৰানত পৰাজয় বৰণ কৰে। ইংলেণ্ডৰ হৈ জো ৰুটেক্ষ৮৪ আৰু জনী বেয়াৰ্ষ্ট'ই কৰে ৩৯ ৰান। ভাৰতৰ হৈ ৰবীচন্দ্ৰন অশ্বিনে পাঁচটা উইকেট দখল কৰে। কুলদীপ যাদৱ আৰু যশপ্ৰীত বুমৰাহে লাভ কৰে দুটাকৈ উইকেট। ইয়াৰ পূৰ্বে ভাৰতে কালিৰ আঠ উইকেটত ৪৭৩ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি মাত্ৰ ৪.১ অভাৰ বেটিং কৰি চাৰি ৰান যোগ কৰিবলৈ সক্ষম হয়। কুলদীপে ৩০ আৰু বুমৰাহে ২০ ৰান কৰে। মাত্ৰ তিনি দিনৰ ভিতৰত পঞ্চম টেষ্ট জয়লাভ কৰি ভাৰতে ছিৰিজ ৪-১ ব্যৱধানত জয় লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে শৃংখলাৰ প্ৰথমখন টেষ্টত ইংলেণ্ডে জয়লাভ কৰাৰ পিছত দলটোৰ বাজবলে ভাৰতীয় দলৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিব বুলি আলোচনা চলিছিল। কিন্তু ভাৰতৰ স্পিন ভেল্কিত ইংৰাজ দলটো দিশহাৰা হয়। আজি পুনৰ ভাৰতৰ স্পিনৰ সন্মুখত শিৰনত কৰে ইংলেণ্ডে। ইংলেণ্ডৰ প্ৰথম ইনিংছত পাঁচটা উইকেট দখল কৰাৰ লগতে ভাৰতৰ ইনিংছত ৩০ ৰানৰ বৰঙণি যোগোৱা কুলদীপ মেছৰ শ্ৰেষ্ঠ সন্মান লাভ কৰে। ছিৰিজৰ শ্ৰেষ্ঠ হয় যশস্বী জয়চোৱাল।




# ড্ৰাগছৰ সৰবৰাহত জড়িত চলচ্চিত্ৰ প্ৰযোজক

**ই-সংবাদ, ৯মাৰ্চঃ** ড্ৰাগছৰ সৰবৰাহত এজন চলচ্চিত্ৰ প্ৰযোজক। দেশৰ বাহিৰলৈ ২০০০ কোটিৰো অধিক মূল্যৰ ড্ৰাগছ সৰবৰাহৰ অভিযোগত শনিবাৰে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে দক্ষিণৰ চলচ্চিত্ৰ প্ৰযোজক তথা ডি এম কেৰ প্ৰাক্তন কাৰ্যকৰী জাফৰ ছাদিদক। নাৰ্কটিকছ কণ্ট্ৰল ব্যুৰোৱে সদৰী কৰা মতে, যোৱা চাৰি মাহ ধৰি চলাই থকা তালাচীৰ অন্তত গ্ৰেপ্তাৰ কৰা হয় অভিযুক্ত ছবি প্ৰযোজকজনক। এনচিবিয়ে ছাদিকক ভাৰত-অষ্ট্ৰেলিয়া-নিউজিলেণ্ড ড্ৰাগছ সৰবৰাহৰ নেটৱৰ্কৰ "কিংগপিন" অৰ্থাৎ অন্যতম মূল ব্যক্তি বুলিও অভিহিত কৰিছে। এনচিবিৰ তথ্য অনুসৰি ছাদিকৰ বিৰুদ্ধে অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডলৈ ২০০০ কোটি টকাৰ ড্ৰাগছ সৰবৰাহ কৰাৰ অভিযোগ উত্থাপন হৈছে। এগৰাকী শীৰ্ষ বিষয়াই জনোৱা মতে, অভিযুক্তই ৪৫ বাৰতকৈ অধিক বাৰ ৩৫০০ কিলোগ্ৰাম ছ্যুড'ইফেড্ৰিন বিদেশলৈ প্ৰেৰণ কৰিছিল। উল্লেখ্য যে, দক্ষিণৰ ছবিজগতত ইতিমধ্যে চাৰিখনকৈ ছবিৰ প্ৰযোজনা কৰিছে জাফৰ ছাদিকে। তেওঁৰ প্ৰযোজনাত শেহতীয়া ছবি এখন চলিত মাহতে মুক্তিলাভৰ কথা। মন কৰিবলগীয়া যে, মাদুৰাই আৰু চেন্নাইৰ এটা ডাম্প য়াৰ্ডৰ পৰা ১৮০ কোটি টকাৰ মেথামফেটামাইন জব্দ কৰাৰ এসপ্তাহৰ পিছতে গ্ৰেপ্তাৰ কৰা হয় ছাদিকক। তদন্তত প্ৰকাশ পাইছে যে এই ড্ৰাগছসমূহ শ্ৰীলংকালৈ চোৰাংকৈ প্ৰেৰণৰ যো-জা চলোৱা হৈছিল। যোৱা ২৯ ফেব্ৰুৱাৰীত এহাল দম্পতীৰ পৰা মুঠ ৩৬ কেজি আৰু চেন্নাইৰ কোডুংগাইয়ুৰ ডাম্পিয়াৰ্ডৰ পৰা ৬ কেজি জব্দ নিষিদ্ধ ড্ৰাগছ জব্দ কৰিছিল এনচিবিয়ে।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান